তোমালোকৰ মাজৰ যি ব্যক্তিৰ চৰিত্ৰ আৰু আচৰণ সৰ্বোত্তম, সেই ব্যক্তিয়েই মোৰ ওচৰত সৰ্বাধিক প্ৰিয় আৰু কিয়ামতৰ দিনা তেওঁ মোৰ নিচেই ওচৰত থাকিব।

জাবিৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "তোমালোকৰ মাজৰ যি ব্যক্তিৰ চৰিত্ৰ আৰু আচৰণ সৰ্বোত্তম, সেই ব্যক্তিয়েই মোৰ ওচৰত সৰ্বাধিক প্ৰিয় আৰু কিয়ামতৰ দিনা তেওঁ মোৰ নিচেই ওচৰত থাকিব। পক্ষান্তৰে তোমালোকৰ মাজৰ যি ব্যক্তি মোৰ ওচৰত আটাইতকৈ বেছি ঘৃণনীয়, সি কিয়ামতৰ দিনাও মোৰ পৰা বহু দূৰত অৱস্থান কৰিব। সিহঁত হৈছেঃ বহুবল্কী, ধৃষ্ট-নিৰ্লজ্জ আৰু মুতাফাইহিকূন (অহংকাৰ জৰ্জৰিত) ব্যক্তিসকল। চাহাবীসকলে ক'লেঃ (হে আল্লাহৰ ৰাছুল!) বহুবল্কী আৰু ধৃষ্ট-নিৰ্লজ্জ লোকসকলক আমি জানো, কিন্তু মুতাফাইহিকূন কোনসকল
লোক? তেখেতে ক'লেঃ সিহঁত হৈছে অহংকাৰী।" [ছহীহ] [(তিৰমিজী)]

তোমালোকৰ মাজৰ যাৰ আখলাক চৰিত্ৰ সৰ্বোত্তম, তেওঁ পৃথিৱীত মোৰ প্ৰিয় ব্যক্তি আৰু কিয়ামতৰ দিনা তেওঁ মোৰ কাষত থাকিব। পক্ষান্তৰে যাৰ চৰিত্ৰ বেয়া, পৃথিৱীত মই তাক ভাল নাপাওঁ আৰু কিয়ামতৰ দিনাও সি মোৰ পৰা আঁতৰত অৱস্থান কৰিব। (الثرثــــارون (হৈছে সেইসকল লোক, যিসকলে সত্যক পৰিহাৰ কৰি অপ্ৰয়োজনীয় বহুত কথা কয়। (والمتشـــــدقون (কোৱা হয় সেইসকল লোকক, যিসকলে নিজৰ প্ৰভাৱ বিস্তাৰ কৰিবলৈ কোনো সতৰ্কতা অৱলম্বন নকৰাকৈ ডাঙৰ ডাঙৰ কথা কয়। (والمتفيهقــون (চাহাবাসকলে ক'লেঃ হে আল্লাহৰ ৰাছুল! ছাৰছাৰূন আৰু মুতাশ্বাদ্দিকূন সম্পৰ্কে আমি জানো, কিন্তু মুতাফাইহিকূন কাক বোলে? তেখেতে উত্তৰত ক'লেঃ মুতাফাইহিকূন হৈছে সেইসকল লোক, যিসকলে অহংকাৰ কৰে, আনক উপহাস কৰে, আৰু ডাঙৰ ডাঙৰ কথা কৈ ফিতাহি মাৰে।

https://sunnah.global/hadeeth/as/show/5802